**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ১৮ হাজাৰ ৩৭০ গৰাকী সদস্যাৰ মাজত চেক বিতৰণ কৰে। মাৰ্ঘেৰিটাৰ বৰগোলাইৰ দিহিং ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে উদ্যোগী নাৰীসকলক ৰাজ্যৰ উত্তৰণমুখী যাত্ৰাৰ শক্তিশালী অংশীদাৰ ৰূপে গঢ়ি তুলিবলৈ চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয়, যে এই অভিযানৰ অধীনত ধন লাভ কৰা মহিলা উদ্যোগীসকলে দক্ষতা আহৰণৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত সফল হ'ব পৰাকৈ তেওঁলোকক প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হৈছে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে তিনিচুকীয়া জিলাত বহনক্ষম আৰু বিজ্ঞান সন্মত গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মাৰ্ঘেৰিটাত আৱৰ্জনা নিষ্কাষণ কেন্দ্ৰ আৰু আৱৰ্জনাৰ পৰা জৈৱ সাৰ প্ৰস্তুত কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ছয় কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পটো দৈনিক ৫০ মেট্ৰিকটন গোটা আৱৰ্জনা নিষ্কাষণ কৰা হ'ব। প্ৰয়োজনসাপেক্ষে এই ক্ষমতা ১০০ মেট্ৰিকটনলৈ বৃদ্ধি কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এইচ আই ভি পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে ব্যাপক সজাগতাৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে জিলাই জিলাই এইচ আই ভি পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰতিদিনে নতুনকৈ ৫-৬ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। যোৱা বছৰত চিকিৎসা মহাবিদ্যালয়খনত নতুনকৈ ৯ হাজাৰ ১৫০ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে। ইয়াকে লৈ চিকিৎসা মহাবিদ্যালয়খনত বৰ্তমান প্ৰায় ১০ হাজাৰ এইচ আই ভি সংক্ৰমিত ৰোগীয়ে নিয়মীয়াকৈ চিকিৎসা সেৱা গ্ৰহণ কৰি আছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালতো বৰ্তমান দুহেজাৰ ১০৩ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰি আছে বুলি স্বাস্থ্য বিভাগৰ তথ্যত প্ৰকাশ পাইছে।

শোণিতপুৰ জিলাত নতুনকৈ ২২৪ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত কৰা হৈছে। এই তথ্য প্ৰকাশ পোৱাৰ পাছতে স্বাস্থ্য বিভাগে সজাগতা বৃদ্ধিৰ লগতে স্বাস্থ্য পৰীক্ষা বাধ্যতামূলক কৰাৰ আহ্বান জনাইছে।

কামৰূপ জিলাত বিগত ৭ মাহত নতুনকৈ ৯০০ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। জিলাখনত বিগত বৰ্ষৰ এপ্ৰিলৰ পৰা প্ৰতিমাহে ডেৰশৰো অধিক এইছ আই ভি পজিটিভ ৰোগী ধৰা পৰিছে। জিলা প্ৰকল্প বিষয়া মৃদুল চহৰীয়াই কামৰূপ জিলাত মাদক দ্ৰব্যৰ ব্যৱহাৰ বৃদ্ধি, এইছ আই ভি পজিটিভ ৰোগীৰ প্ৰবজন আৰু অসুৰক্ষিত যৌন সম্পৰ্কৰ বাবে এনে ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে বুলি প্ৰকাশ কৰে। জিলাখনত বৰ্তমান ১৩ হাজাৰ এনে ৰোগী আছে বুলি জিলা প্ৰকল্প বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে তথ্য, শিক্ষা, যোগাযোগ অভিযানৰ অধীনত কামৰূপ, কামৰূপ মহানগৰ আৰু নলবাৰী জিলাত সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। দিছপুৰ মহাবিদ্যালয়ত আয়োজিত সভাত অভিজ্ঞ ব্যক্তৰ দ্বাৰা এইছ আই ভি সংক্ৰমণ আৰু ইয়াৰ প্ৰতিকাৰ সন্দৰ্ভত বিষদভাৱে বৰ্ণনা কৰা হয়।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে শিলচৰলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি ৰামকৃষ্ণ মিছন সেৱা শ্ৰম পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ ছ'চাইটিৰ শিলচৰ শাখা পৰিদৰ্শন কৰে। ৰাজ্যপালগৰাকীয়ে ৰেডক্ৰছ ছ'চাইটিত গছপুলি

ৰোপণ কৰাৰ উপৰি এটা ৰক্তদান শিবিৰ মুকলি কৰে। তেওঁ সংগঠনটোৰ নিঃস্বাৰ্থ সেৱাৰ প্ৰশংসা কৰি অনাগত দিনটো আৰ্তজনৰ প্ৰতি এই সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়।

শ্ৰী আচাৰ্যই কালি কাছাৰ জিলাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতি পৰ্যালোচনা কৰি সন্তুষ্টি প্ৰকাশ কৰে।

0000000

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ তুলসীবাৰীত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ পুঁজিৰে নিৰ্মাণ কৰা বৃদ্ধ পেন্সন কল্যাণ পৰিষদৰ ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। পৰিষদৰ ২৪ লাখ টকা পুঁজিৰে ভৱনটো নিৰ্মাণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশ লোৱাৰ উপৰি জিলাখনৰ পেন্সনাৰসকলৰ অভাৱ-অভিযোগৰো বুজ লয়। অনুষ্ঠানত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙিয়া, কাৰ্যবাহী সদস্য বাণীকান্ত দলে প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

0000000

২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ কেইবাটাও ৰাজনৈতিক দলে কাইলৈ শিৱসাগৰত এখন বৈঠকৰ আয়োজন কৰিছে। এই বৈঠকত পৰৱৰ্তী নিৰ্বাচনৰ বাবে ৰণকৌশল প্ৰস্তুত কৰা হ'ব। বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এই বিষয়ে প্ৰকাশ কৰে। দলটোৱে ১৯ আগষ্টৰ পৰা শিৱসাগৰ বিধানসভা সমষ্টিত ১৫ দিনীয়া বিশেষ জাগৰণ যাত্ৰাৰ কাৰ্যসূচী লৈছে বুলিও তেওঁ উল্লেখ কৰে।

0000

শিৱসাগৰৰ প্ৰবীণ জাতীয়তাবাদী নেতা, জ্যেষ্ঠ অধিবক্তা তথা উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা স্বগীৰ ইমদাদ য়াছিনৰ যোৱা নিশা ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত মৃত্যু হয়। য়াছিনৰ মৃত্যুত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি, উজনি অসম মুছলিম কল্যাণ পৰিষদ, শিৱসাগৰ প্ৰেছ ক্লাব, উকিল সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ।

0000

**সমাপ্ত**